**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।  শূন্য শুল্কৰে ইউৰোপৰ ২৭ খন দেশলৈ ৰপ্তানি হ'ব অসমৰ চাহ।

২।  খুমটাই বিধানসভা সমষ্টিত আজি ৩০ হাজাৰ ৯৫৭ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কাৰ্যসূচী।

৩।  ৰাজ্যৰ বিভিন্ন প্ৰান্তত মে-ডাম-মে-ফীৰ আয়োজন।

৪।  গুৱাহাটীত আজিৰেপৰা অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন অধিৱেশন।  *আৰু*

৫।  ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ আজি অন্তিমখন খেল।

০০০০০০

শূন্য শুল্কৰে ইউৰোপৰ ২৭ খন দেশলৈ ৰপ্তানি হ'ব অসমৰ চাহ। কেন্দ্ৰীয় চৰকাৰে ২৭ খন ইউৰোপীয় দেশৰ সৈতে অলপতে কৰা চুক্তিৰ জৰিয়তে এয়া সম্ভৱ হৈ উঠিব। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি কয়, যে ভাৰত আৰু ইউৰোপীয় দেশসমূহৰ মাজত হোৱা চুক্তিয়ে বিশেষভাৱে ডিব্ৰুগড়বাসীক লাভান্বিত কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এনে প্ৰশংসনীয় পদক্ষেপে অসমৰ চাহ বাগিচাসমূহ আৰু অৰ্থনীতিক সমৃদ্ধ কৰিব বুলিও তেওঁ কয়। ডিব্ৰুগড়ৰ ঐতিহ্য চাহ উদ্যোগৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে এই ডিব্ৰুগড়ৰ ভূমিৰ পৰা অসমৰ চাহৰ সুগন্ধি সমগ্ৰ বিশ্বতে বিয়পি পৰে। ডিব্ৰুগড়ে ভাৰতক বিশ্বৰ বুকুত সুকীয়া পৰিচয় দিছে বুলিও তেওঁ ভাষণত কয়। চাহৰ ৰাজধানী হিচাপে পৰিচিতি ডিব্ৰুগড়ৰ চাহ উদ্যোগে ভাৰতৰ অৰ্থনৈতিক ব্যৱস্থাটোক শক্তিশালী কৰাৰ ক্ষেত্ৰত সবল ভূমিকা লোৱাৰ কথাও তেওঁ সদৰি কৰে।

**বাইট**

ইপিনে, শেহতীয়াকৈ অসমত দ্ৰুতগতিত জন গাঁথনিৰ পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰি শ্ৰী শ্বাহে এনে পৰিৱৰ্তনত বাধা দিব নোৱাৰিলে অসম এদিন ভয়ংকৰ বিপদৰ সন্মুখীন হ'বলগীয়া হ'ব বুলি কয়। অসমত তৃতীয়বাৰৰ বাবে বিজেপিয়ে চৰকাৰ গঠন কৰিলে প্ৰতিজন অনুপ্ৰৱেশকাৰীক খেদি পঠিওৱা হ'ব বুলিও গৃহমন্ত্ৰীগৰাকীয়ে ৰাইজক প্ৰতিশ্ৰুতি দিয়ে। অসমৰ দীৰ্ঘদিনীয়া বান সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে সদায়ে চিন্তা কৰি আহিছে বুলি উল্লেখ কৰি শেহতীয়াকৈ চৰকাৰে এই সমস্যা সমাধানৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰসংগও তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প  মুকলি কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে যোৱাটো বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমক বানমুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি অনুসৰি, আৰম্ভ কৰা এই প্ৰকল্পই ৰাজ্যখনৰ বানৰ সমস্যা নোহোৱা কৰাৰ লগতে কৃষকসকলক যথেষ্ট উপকৃত কৰিব। এই প্ৰকল্পৰ অধীনত হ'বলগীয়া জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে ৰাজ্যৰ কৃষকে বছৰত তিনিবাৰ খেতি কৰি লাভান্বিত হ'ব পাৰিব বুলি উল্লেখ কৰি তেওঁ অসমৰ পৰ্য্যটন খণ্ডকো চৰকাৰৰ এই পদক্ষেপে সহায় কৰিব বুলি কয়।

ডিব্ৰুগড়ৰ কাৰ্য্যসূচীৰ সামৰণি মাৰি শ্ৰীশ্বাহে ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ভাষণ দি তেওঁ কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনীত নিযুক্তিৰ ক্ষেত্ৰত মিচিং জনগোষ্ঠীৰ বাবে সুকীয়া বাছনি পৰীক্ষা অনুষ্ঠিত কৰাৰ কথাও উল্লেখ কৰে।

**বাইট**

কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কালি সন্ধিয়া গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত ৰাজ্যিক বিজেপিৰ কৰ্ণধাৰ সমিতি আৰু  নিৰ্বাচনী ব্যৱস্থাপনা সমিতিৰ সৈতে এখন গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাত শ্ৰীশ্বাহে সমাগত বিধানসভা নিৰ্বাচন সন্দৰ্ভত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক দলৰ কাৰ্যালয়লৈ আদৰণি জনায়।

oooooo

খুমটাই বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৯৫৭ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব। এই উপলক্ষে নৰাগাঁও খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই অংশ ল'ব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নৰাগাঁও মিনি ষ্টেডিয়াম মুকলি কৰিব। ১৪ বিঘা ভূমিত নিৰ্মাণ কৰা এই ষ্টেডিয়ামখনত ছুইমিং পুল, ইনড'ৰ ষ্টেডিয়াম, বেডমিণ্টন ক'ৰ্ট, শ্বুটিং, টেবুল টেনিছ কক্ষ আৰু ব্যায়ামগাৰৰ সুবিধা আছে।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি টাই আহোমসকলৰ পৰম্পৰাগত ধৰ্মীয় আৰু সামাজিক উৎসৱ মে-ডাম-মে-ফীৰ আয়োজন কৰা হৈছে। পুলিন-পুথাওসকলৰ উপাসনাৰে তেওঁলোকৰ আশীৰ্বাদ বিচাৰি এই উৎসৱ পালন কৰা হয়।

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফী উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত কালিৰে পৰা মে-ডাম-মে-ফী অনুষ্ঠিত হৈছে। প্ৰতিবছৰে মে-ডাম-মে-ফীৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথনৰ পৰিৱৰ্তে এইবাৰ শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হৈছে। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত কাইলৈ হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

ধেমাজি জিলাৰ হাবুঙত যোৱা বৃহস্পতিবাৰৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফী অনুষ্ঠিত হৈছে। ইয়াৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা, বাণিজ্য মেলা, ফুটবল, কুইজ আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আজি মে-ডাম-মে-ফীৰ মুকলি সভাত ইতিহাসবিদ নগেন হাজৰিকা আৰু সাহিত্যিক-সাংবাদিক উমেশ চেতিয়াক ২০২৫-২৬ বৰ্ষৰ হাবুং বঁটা আগবঢ়োৱা হ'ব।

গুৱাহাটী মহানগৰীত পৰম্পৰাগত ৰীতি-নীতিৰে আজি মে-ডাম-মে-ফী উদযাপন কৰা হৈছে। বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফী উদযাপন সমিতিৰ উদ্যোগত নটবমাৰ চ্যুকাফা নগৰত দিনজোৱা কাৰ্যসূচীৰে আয়োজিত মে-ডাম-মে-ফীৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ আছুতীয়া পুঁজিৰে আটক ধুনীয়াকৈ নিৰ্মাণ কৰা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ এটা বিশাল প্ৰতিমূৰ্তি উন্মোচন কৰা হ'ব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই মে-ডাম-মে-ফী উপলক্ষে অসমবাসীক শুভকামনা জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ পুলিন-পুথাওসকলৰ আশীৰ্বাদেৰে সকলোৰে পথ সদায় আলোকিত হ'ব বুলি কামনা কৰে।

oooooo

অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন অধিৱেশন আজিৰেপৰা গুৱাহাটীত অনুষ্ঠিত হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া এই অধিৱেশনৰ অহা ৩ ফেব্ৰুৱাৰীত

সামৰণি পৰিব। কাৰ্যসূচী অনুসৰি আজি পুৱা চাৰে ৯ বজাত মে-ডাম-মে-ফী, ১০ বজাত মূল তোৰণ, মঞ্চ অস্থায়ী কাৰ্যালয় আৰু বিভিন্ন সমন্বয়ক্ষেত্ৰ উদ্বোধন কৰা হ'ব। ইয়াৰ পাছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিনিধিসকলৰ নাম পঞ্জীয়ন কৰা হ'ব। বিয়লি ৩ বজাৰ পৰা শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত অসম সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্যবৰ্ষৰ চতুৰ্থ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক অধিৱেশন অনুষ্ঠিত হ'ব। একেদৰে কাইলৈ পুৱা সভাৰ মূল পতাকা উত্তোলন কৰাৰ সমান্তৰালভাৱে বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধি আৰু অসম সাহিত্য সভাৰ বিষয়ববীয়াই ১১৮ খন পতাকা উত্তোলন কৰিব। দিনৰ ১১ বজাত সভাপতিক লৈ এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ১২ বজাৰ পৰা সাহিত্য উৎসৱ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কাইলৈ সভাৰ প্ৰথম মুকলি অধিৱেশন অনুষ্ঠিত হ'ব। অধিৱেশন সন্দৰ্ভত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এইদৰে কয় –

বাইট

০০০০০০

গুৱাহাটীৰ দিছপুৰৰ ড০ আৰ পি ৰোডত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্বাধীনতা যুঁজাৰু ছবিলাল উপাধ্যায়ৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, দিছপুৰৰ বিধায়ক অতুল বৰা, সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা উপস্থিত থাকিব। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰধানগৰাকী সভাপতি ছবিলাল উপাধ্যায়ে স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা পালন কৰিছিল। অসমত অসহযোগ আন্দোলনক সক্ৰিয়ভাৱে নেতৃত্ব দিয়াৰ বাবে তেওঁ প্ৰায় ছমাহ কাৰাগাৰত থাকিবলগীয়া হৈছিল।

০০০০০০

আজি নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত 'পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ৰ মুৰব্বী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলাৰ ৰেমৰাণপাৰা এলেকাত তামোল আনিবলৈ যোৱা অসমৰ দুজন গাড়ীচালকক একাংশ দুৰ্বৃত্তই কালি নিৰ্মমভাৱে প্ৰহাৰ কৰে। গুৰুতৰভাৱে আহত লোক দুজনক পাছত চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া হয়। দুয়োজন দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ঠাকুৰাণবাৰী গাঁৱৰ বুলি আমাৰ সংবাদদাতাই জনাইছে। চালক দুজনে গাৰো পাহাৰৰ পৰা তামোলভৰ্তি বাহনেৰে ঘৰলৈ উভতাৰ সময়তে পথৰ মাজত দুৰ্বৃত্তই আক্ৰমণ কৰে। এই ঘটনাক লৈ দক্ষিণ শালমাৰা মানকাচৰ জিলা শ্ৰমিক সন্থা আৰু ব্যৱসায়ী সন্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সন্থাই পৰিস্থিতি স্বাভাৱিক নোহোৱালৈ মেঘালয়লৈ ব্যৱসায়িক যাত্ৰা বন্ধ ৰাখিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে যোৱা ৯ জানুৱাৰীত মেঘালয়ৰ ৰাজাবালা এলেকাত অবৈধ শিল কুৰেৰীত কাম কৰা এজন শ্ৰমিকৰ দুৰ্বৃত্তৰ আক্ৰমণত মৃত্যু হৈছিল।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল আজি কেৰালাৰ তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ৩-১ ৰ ব্যৱধানত ইতিমধ্যে শৃংখলা দখল কৰা ভাৰতে আজিৰ মূল একাদশত কেইবাগৰাকী খেলুৱৈৰ সাল-সলনিৰে সম্পৰীক্ষা কৰাৰ সম্ভাৱনা আছে। সেই অনুসৰি আজি মূল একাদশত শ্ৰেয়াস আয়াৰ আৰু বৰুণ চক্ৰৱৰ্তীক স্থান দিয়া হ'ব পাৰে। লগতে ধাৰাবাহিকভাৱে নিৰাশাজনক প্ৰদৰ্শন দাঙি ধৰা উইকেট কীপাৰ বেট্ছমেন সঞ্জু চেমচনৰ ওপৰতো আজি সকলোৰে দৃষ্টি নিবদ্ধ থাকিব। ইপিনে, কিৱি

বাহিনীয়ে জয়লাভেৰে শৃংখলাৰ ব্যৱধান হ্ৰাস কৰিবলৈ আজি সৰ্বশক্তি প্ৰয়োগ কৰিব। প্ৰথম তিনিখন খেলত সহজে আত্ম সমৰ্পণ কৰিলেও চতুৰ্থ খেলখনত দলটোৱে বৃহৎ ব্যৱধানত ভাৰতক পৰাস্ত কৰিছিল।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ডিব্ৰুগড়ত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন, মিচিং যুৱ মহোৎসৱত গৃহমন্ত্ৰীৰ অংশগ্ৰহণ, জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত তিনিজনৰ জামিন নাকচ, ধুবুৰী-ফুলবাৰী সংযোগী দলঙৰ প্ৰায় ৬৭ শতাংশ কাম সম্পূৰ্ণ আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে ডিব্ৰুগড়ৰ জনসভাত গৃহমন্ত্ৰীয়ে আওপকীয়াকৈ হিমন্ত বিশ্ব শৰ্মাক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰাৰ বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক জনমভূমি কাকতে ডিব্ৰুগড়ত নিৰ্বাচনী ৰণডংকা অমিত শ্বাহৰ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

তৃতীয়বাৰৰ বাবে বিজেপি চৰকাৰ ক্ষমতালৈ আহিলে অনুপ্ৰৱেশকাৰীক এটা এটাকৈ বাছি উলিয়াই খেদি পঠিওৱা হ'ব বুলি অমিত শ্বাহে মন্তব্য কৰাৰ বাতৰিটো দৈনিক অসম আৰু নিয়মীয়া বাৰ্তা কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যত ভোটাৰ তালিকাৰ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া অব্যাহত থকাৰ মাজতে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে বিটিচিত এই প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ কৰা বুলি ঘোষণা কৰাৰ এটা বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইপিনে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী পক্ষই বিজেপি চৰকাৰে ৰাজ্যত ভোটাৰ তালিকাৰ পুংখানুপুংখ পুনৰীক্ষণৰ আঁৰত ভোট চোৰ কৰাৰ অভিযোগ তুলি এই প্ৰক্ৰিয়াৰ বিৰুদ্ধে কালি প্ৰতিবাদ সাব্যস্ত কৰাৰ আন এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান ধুবুৰী-ফুলবাৰী সংযোগী ১৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখনৰ কাম যোৱা ডিচেম্বৰলৈকে ৬৭ দশমিক ৫ শতাংশ হৈছে আৰু ২০২৮ চনৰ ছেপ্তেম্বৰত এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। এই বাতৰিটো দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত গ্ৰেপ্তাৰ হোৱা তিনিজন অভিযুক্ত অমৃতপ্ৰভা মহন্ত, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ জামিন আবেদন আদালতে নাকচ কৰাৰ বাতৰিটো অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ লগতে অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**